# স্পষ্টীকৰণ

যোৱা ইং ১৭-১১-২০১৫ তাৰিখে "অসমীয়া প্ৰতিদিন" কাকতত প্ৰকাশিত "হাতীগাঁও আৰক্ষীৰ প্ৰত্যক্ষ পৃষ্ঠপোষকতাত জুৱাৰ মুকলি আড্ডা" শীৰ্ষক বাতৰিটো আৰক্ষী আয়ুক্তৰ দৃষ্টিগোচৰ হৈছে।

এই সন্দৰ্ভত এক স্পষ্টীকৰণ যোগে কোৱা হৈছে যে ইং ১২-১১-২০১৫ তাৰিখৰ পৰা অহা ৩০-১১-২০১৫ তাৰিখলৈ হাতীগাঁৱৰ দক্ষিণগাঁও নদীপাৰত যাত্ৰাপাৰ্টী আৰু মীনাবজাৰৰ বাবে উপ-আৰক্ষী আয়ুক্তই অনুমতি দিছিল আৰু নিশা ১০-০০ বজালৈ শেষ সময়সীমা ধাৰ্য্য কৰি দিয়া হৈছিল। এই স্থানত কোনোধৰণৰ জুৱাৰ মুকলি আড্ডা বহা পৰিলক্ষিত হোৱা নাই আৰু তাৰ স্থানীয় মহিলা সমিতিয়েও কোনো লিখিত অভিযোগ দিয়া কথাটোও অসত্য।

এই সন্দৰ্ভত উপ-আৰক্ষী আয়ুক্ত (পূৱ)ক অনুসন্ধান কৰি এক প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

Sd/- ২৮/১১/২০১৫
মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া
অসম আৰক্ষীৰ মুখ্য কাৰ্য্যালয়
উলুবাৰী, গুৱাহাটী

# স্পষ্টীকৰণ

যোৱা ইং ১৭-১১-২০১৫ তাৰিখে "অসমীয়া প্ৰতিদিন" কাকতত প্ৰকাশিত "ধন সংগ্ৰহত ব্যস্ত যান-জঁট নিয়ন্ত্ৰণত ব্যৰ্থ আৰক্ষী" শীৰ্ষক বাতৰিটো আৰক্ষী আয়ুক্তৰ দৃষ্টিগোচৰ হৈছে।

এই সন্দৰ্ভত এক স্পষ্টীকৰণ যোগে কোৱা হৈছে যে মালিগাঁও এলেকাটো যথেষ্ট ব্যস্ত অঞ্চল হোৱা হেতুকে তাত কিছু যান-জঁটৰ সমস্যাই দেখা দিয়াটো স্বাভাৱিক যদিও মহানগৰ আৰক্ষী যান-বাহন শাখাই অতি ক্ষিপ্ৰতাৰে এই যান-জঁট নিয়ন্ত্ৰণ কৰি আহিছে। বিভিন্ন সময়ত যান-বাহন আৰক্ষীয়ে গাড়ীৰ 'চেকিং' কৰাটো অতি প্ৰয়োজনীয় পদক্ষেপ। তদুপৰি, নীতিবহিৰ্ভূতভাৱে গাড়ী চলোৱা চালকক জৰিমনা বিহাটোও আৰক্ষীৰ নিতান্তই কৰণীয় বিষয়। এনেক্ষেত্ৰত গাড়ী ৰখাওতে কিছু যান-জঁটৰ সৃষ্টি হ'লেও লগে লগেই ইয়াক নিয়ন্ত্ৰণ কৰি থকা যায়। যিবোৰ গাড়ীয়ে আইন-উলংঘা কৰে সেইবোৰকহে জৰিমণা বিহা হয়।

এই সন্দৰ্ভত উপ-আৰক্ষী আয়ুক্ত (যান-বাহন) শাখাক তদন্ত কৰি এক প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

Sd/- ২৫/১১/২০১৫

মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া
অসম আৰক্ষীৰ মুখ্য কাৰ্য্যালয়
উলুবাৰী, গুৱাহাটী

# স্পষ্টীকৰণ

যোৱা ইং ১৭-১১-২০১৫ তাৰিখে "অসমীয়া প্ৰতিদিন" কাকতত প্ৰকাশিত "শিশু খেলৰ গইনা লৈ মহানগৰীত লুডু-জুৱা" শীৰ্ষক বাতৰিটো আৰক্ষী আয়ুক্তৰ দৃষ্টিগোচৰ হৈছে।

এই সন্দৰ্ভত এক স্পষ্টীকৰণ যোগে কোৱা হৈছে যে মহানগৰৰ বিভিন্ন স্থানত বহুলোকে লুডু খেলি থকা পৰিলক্ষিত হয়। আৰক্ষীয়ে 'লুডু খেল" খেলি থকা কোনো লোকক খেদি পঠিওৱা বা গ্ৰেপ্তাৰ কৰাটো আইনগতভাৱে সম্ভৱপৰ নহয় কিয়নো 'লুডু' কোনোধৰণৰ জুৱাখেলৰ সামগ্ৰী নহয়। যদিহে কোনো লোকে 'লুডু খেল'ত জয়-পৰাজয়ৰ পাছত ধনৰ আদান-প্ৰদান কৰাটো হাতে-লোটে ধৰা পৰে তেওঁলোকৰ বিৰুদ্ধে আইনগত ব্যৱস্থা গ্ৰহণ কৰা হ'ব। আনহাতে, এই সন্দৰ্ভত এতিয়ালৈকে কোনো অভিযোগো পোৱা হোৱা নাই।

এই সন্দৰ্ভত উপ-আৰক্ষী আয়ুক্ত (পূৱ), উপ-আৰক্ষী আয়ুক্ত (পশ্চিম) আৰু উপ-আৰক্ষী আয়ুক্ত (মধ্য)ক অনুসন্ধান কৰি এক প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

২৫/১১/২০১৫

মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া
অসম আৰক্ষীৰ মুখ্য কাৰ্য্যালয়
উলুবাৰী, গুৱাহাটী

# স্পষ্টীকৰণ

যোৱা ইং ১৪-১১-২০১৫ তাৰিখে "জনসাধাৰণ" কাকতত প্ৰকাশিত "দুৰ্বিষহ জীৱন কটাইছে ভৰলু থানাৰ বিষয়া-কনিষ্টবলে" শীৰ্ষক বাতৰিটো আৰক্ষী আয়ুক্তৰ দৃষ্টিগোচৰ হৈছে।

এই সন্দৰ্ভত এক স্পষ্টীকৰণ যোগে কোৱা হৈছে যে বিভাগৰ পৰা পোৱা আৱণ্টিত ধনেৰে ইতিমধ্যে ভৰলুমুখ থানাৰ এটা বেৰেক আৰু প্ৰসাৰগাৰৰ মেৰামতি কৰা হৈছে আৰু এটা নতুন ঘৰ সাজি উলিওৱা হৈছে। বাকী থকা কামখিনি সম্পূৰ্ণ কৰাৰ বাবে ধন আৱণ্টত দিবৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা লোৱা হৈছে। উল্লেখ্য যে থানাখনত পানীৰ অভাৱৰ কোনো অভিযোগ পোৱা হোৱা নাই।

২৫/১১/২০১৫

মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া
অসম আৰক্ষীৰ মুখ্য কাৰ্য্যালয়
উলুবাৰী, গুৱাহাটী

<u>স্পষ্টীকৰণ</u>

যোৱা ইং ১৫-১১-২০১৫ তাৰিখে "জনসাধাৰণ" কাকতত প্ৰকাশিত "ক্ষুদ্ৰ ব্যৱসায়ীৰ জীৱন-জীৱিকালৈ ভাবুকি, আৰক্ষীৰ বিৰুদ্ধে গুণ্ডাকৰ সংগ্ৰহৰ অভিযোগ" শীৰ্ষক বাতৰিটো আৰক্ষী আয়ুক্তৰ দৃষ্টিগোচৰ হৈছে।

এই সন্দৰ্ভত এক স্পষ্টীকৰণ যোগে কোৱা হৈছে যে পথৰ কাষত ব্যৱসায় কৰা ব্যৱসায়ীৰ পৰা আৰক্ষীয়ে গুণ্ডাকৰ লোৱাৰ কোনোধৰণ অভিযোগ পোৱা হোৱা নাই আৰু পৌৰ নিগমৰ কৰ সংগ্ৰহ কৰা কৰ্মীৰ বিৰুদ্ধেও আজিলৈকে আৰক্ষীয়ে কোনো অভিযোগ লাভ কৰা নাই। আৰক্ষী আৰু পৌৰ নিগমৰ কৰ্মীয়ে অবৈধভাৱে ধন সংগ্ৰহ কৰাৰ অভিযোগ পালে এই ক্ষেত্ৰত বিহিত ব্যৱস্থা লোৱা হ'ব।

১৫/১১/২০১৫

মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া
অসম আৰক্ষীৰ মুখ্য কাৰ্য্যালয়
উলুবাৰী, গুৱাহাটী